**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-04-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***
------------

১। আন্তঃৰাষ্ট্ৰীয় মহাকাশ অভিযানৰ অংশ হিচাপে অহা মাহত মহাকাশ যানৰ সৈতে এজন ভাৰতীয় মহাকাশচাৰী আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ উৰা মাৰিব।

২। ভাৰতৰ বৈদেশিক মুদ্ৰাৰ পৰিমাণ যোৱা ১১ এপ্ৰিলত অন্ত পৰা সপ্তাহটোত ১৫৬ কোটি ডলাৰ বৃদ্ধি হৈ ৬৭ হাজাৰ ৭৮০ কোটি ডলাৰতকৈও অধিক হৈছে।

৩। ছত্তিশগড়ৰ ছুক্‌মা জিলাত আজি মহিলাসহ মুঠ ২০জন মাওবাদীয়ে আত্মসমৰ্পন কৰে।

৪। কেন্দ্ৰীয় চৰকাৰে আজি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত নতুনকৈ সচিব নিযুক্তি দিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

মহাকাশ যাত্ৰাত আকৌ এবাৰ ইতিহাস সৃষ্টিৰ বাবে ভাৰত সাজু হৈছে। এজন ভাৰতীয় মহাকাশচাৰীয়ে আন্তঃৰাষ্ট্ৰীয় মহাকাশ অভিযানৰ অংশ হিচাপে অহা মাহত মহাকাশ যানৰ সৈতে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ উৰা মাৰিব। ভাৰতীয় বায়ুসেনাৰ দলীয় কেপ্তেইন শুভাংসু শুক্লাই সমাগত এক্সিঅ'ম মহাকাশ অভিযান, এক্স-ফ'ৰত ভাগ ল'ব। মহাকাশ বিভাগৰ ৰাজ্যমন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে এই কথা ঘোষণা কৰি কয় যে এই অভিযানৰ জৰিয়তে ভাৰতে নিজৰ মহাকাশ যাত্ৰাত এটা উল্লেখযোগ্য অধ্যায় ৰচনা কৰিবলৈ সাজু হৈছে। আগন্তুক সময়ত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোৰ ভৱিষ্যতৰ গুৰুত্বপূৰ্ণ পৰিকল্পনাৰ পৰ্যালোচনা কৰিবলৈ নতুন দিল্লীত অনুষ্ঠিত এখন উচ্চ পৰ্যায়ৰ বৈঠকৰ পাছত ড০ সিঙে সমাগত মানৱ মহাকাশ ভ্ৰমণ আৰু ইছৰোৰ আন কেইবাটাও গুৰুত্বপূৰ্ণ অভিযানৰ গুৰত্ব সন্দৰ্ভত আলোকপাত কৰে। তেওঁ লগতে কয় যে আন্তঃৰাষ্ট্ৰীয় অংশীদাৰসকলৰ সৈতে সহযোগিতা আৰু গগন যানৰ দৰে প্ৰকল্পসমূহৰ কৌশলগত গতিশীলতাই মহাকাশ প্ৰযুক্তিৰ ক্ষেত্ৰত বিশ্ব নেতা হোৱাৰ বাবে ভাৰতৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। এই প্ৰচেষ্টাসমূহ কেৱল বিজ্ঞানসন্মতই নহয়, বৰঞ্চ আৰু অধিক উন্নত তথা আত্মনিৰ্ভৰশীল ভাৰতৰ দৃষ্টিভংগীৰ সৈতেও সংলগ্ন।

০০০০০০০০০

যোৱা ১১ এপ্ৰিলত অন্ত পৰা সপ্তাহত ভাৰতৰ বৈদেশিক মুদ্ৰাৰ পৰিমাণ ১৫৬ কোটি ডলাৰ বৃদ্ধি হৈ ৬৭ হাজাৰ ৭৮০ কোটি ডলাৰতকৈও অধিক হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰা সাপ্তাহিক পাৰিসংখ্যিক তথ্য অনুসৰি যোৱা সপ্তাহত ভাণ্ডাৰৰ এটা প্ৰধান উপাদান বিদেশী মুদ্ৰাৰ পৰিমাণ ৮৯২ নিযুত ডলাৰ বৃদ্ধি হৈ প্ৰায় ৫ হাজাৰ ৭৫০ কোটি ডলাৰ হয়গৈ। সোণৰ ভাণ্ডাৰ ৬৩৮ নিযুত ডলাৰ বৃদ্ধি হৈ ৭ হাজাৰ ৯৯৯ কোটি ডলাৰলৈ বৃদ্ধি পাইছে।

০০০০০০০০০

ছত্তিশগড়ৰ ছুক্‌মা জিলাৰ ৯জনী মহিলা নক্সালবাদীকে ধৰি মুঠ ২০জন মাওবাদীয়ে আত্মসমৰ্পন কৰে। এই মাওবাদীকেইজনৰ ওপৰত ৪০ লাখ ৫০ হাজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল। আৰক্ষী আৰু চি আৰ পি এফৰ জ্যেষ্ঠ বিষয়াৰ ওচৰত এই মাওবাদীকেইজনে আত্মসমৰ্পন কৰে। ছত্তিশগড় ৰাজ্য চৰকাৰৰ পুনৰ্বাসন নীতিৰ অধীনত আত্মসমৰ্পন কৰা আটাইকেইজন মাওবাদীৰ প্ৰতিজনকে ৫০ হাজাৰ টকাৰ উদগণিমূলক ধনৰাশি প্ৰদান কৰা হৈছে।

০০০০০০০০০

খ্ৰীষ্টান বসতিপ্ৰধান মিজোৰাম ৰাজ্যৰ সকলো প্ৰান্তত ধৰ্মীয় উৎসাহেৰে গুড ফ্ৰাইডে উদযাপন কৰা হয়। ৰাজধানী আইজলত অনুষ্ঠিত এই বিশেষ গুড ফ্ৰাইডেৰ গণ সমাৰোহত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত খ্ৰীষ্টান

ধৰ্মাৱলম্বী লোকসকলে গীৰ্জাৰ ছাৰ্ভিচ, প্ৰাৰ্থনা, উপাসনা আৰু শুভ বাৰ্তাৰ কেৱল পৰিবেশন কৰে। প্ৰতি বছৰে খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে যীশুখ্ৰীষ্টৰ ক্ৰুছবিদ্ধকৰণ আৰু তেওঁৰ মৃত্যুক স্মৰণ কৰি গুড ফ্ৰাইডে পালন কৰে। বাইবেল অনুসৰি মানৱ জাতিক সকলো পাপৰ পৰা ৰক্ষা কৰি ভগৱানৰ সৈতে সম্পৰ্ক পুনৰুদ্ধাৰৰ বাবে ৩৩ খ্ৰীষ্টাব্দত পণ্টিয়াছ পিলেটৰ শাসন কালত যীশুখ্ৰীষ্টক ক্ৰুছবিদ্ধ কৰা হৈছিল।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি মালয়েছিয়াৰ ৰাজধানী কুৱালালামপুৰত দেশখনৰ বিদেশ উপ-মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। উল্লেখযোগ্য যে কুৱালালামপুৰত আজিৰেপৰা অনুষ্ঠিত মালয়েছিয়ান টুৰ এণ্ড ট্ৰেভেল এজেণ্ট সংস্থাৰ মেলাত শ্ৰী মাৰ্ঘেৰিটাৰ নেতৃত্বত ভাৰতৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিছে। এই অনুষ্ঠানত দেশৰ উত্তৰ- পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব সহকাৰে লৈ ভাৰতে নিজৰ পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনাক তুলি ধৰাৰ প্ৰয়াস কৰিব। ভাৰত আছিয়ান পৰ্যটন পেছাদাৰী বিনিময় কাৰ্যসূচী ২০২৫ৰ অংশ হিচাপে শ্ৰীমাৰ্ঘেৰিটাই এই কাৰ্যসূচীত অংশ লৈছে। দুদিনীয়া এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও আগশাৰীৰ ব্যৱসায়িক নেতা আৰু প্ৰৱাসী ভাৰতীয়ৰ সৈতে মত বিনিময় কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে যোৱা বছৰ অনুষ্ঠিত একবিংশ ভাৰত-আছিয়ান শীৰ্ষ সন্মিলনত এই বছৰৰ ভাৰত-আছিয়ান পৰ্যটন বৰ্ষ পালনৰ পৰিকল্পনা কৰা হৈছিল।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে আজি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত সচিব নিযুক্তি দিছে। অৰবিন্দ শ্ৰীবাস্তৱক বিত্ত মন্ত্ৰালয়ৰ ৰাজহ সচিব হিচাপে নিযুক্তি দিয়া হৈছে। বৰ্তমান তেওঁ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত অতিৰিক্ত সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ত সঞ্চালক প্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সমীৰ কুমাৰ সিনহাক অসামৰিক বিমান পৰিবহন বিভাগৰ সচিব হিচাপে নিযুক্তি দিয়া হৈছে। বৰ্তমান বৈদেশিক বাণিজ্যৰ সঞ্চালক প্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সন্তোষ কুমাৰ চাৰঙ্গিক নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ৰ সচিব হিচাপে নিযুক্তি দিয়া হৈছে। নিকুঞ্জ বিহাৰী ঢালক সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০০০০০

শ্ৰীমদভাগৱত গীতা আৰু ভৰত মুনিৰ নাট্য শাস্ত্ৰক ইউনেস্কোৰ বিশ্ব স্মৃতি পঞ্জীয়নত অন্তৰ্ভুক্ত কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱতে সামাজিক মাধ্যমত এই সন্দৰ্ভত প্ৰকাশ কৰা এটা বাৰ্তাৰ প্ৰতি সঁহাৰি জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিষয়টোক লৈ সন্তুষ্টি প্ৰকাশ কৰে। শ্ৰী মোদীয়ে ইয়াৰ জৰিয়তে ভাৰতৰ শাশ্বত জ্ঞান আৰু বৰ্ণাঢ্য সংস্কৃতিয়ে বিশ্বত স্বীকৃতি লাভ কৰিলে বুলি মন্তব্য কৰে। তেওঁ লগতে কয়, যে গীতা আৰু নাট্য শাস্ত্ৰই শতিকাজুৰি ভাৰতীয় সভ্যতাক উদ্বুদ্ধ কৰি আহিছে আৰু এই গ্ৰন্থ দুখনত নিহিত থকা শিক্ষা তথা দৰ্শনে জনসাধাৰণক অনুপ্ৰাণিত কৰি আহিছে।

০০০০০০০০০

বিশ্বজুৰি আজি বিশ্ব ঐতিহ্য দিৱস উদযাপন কৰা হৈছে। এই দিৱসক আন্তৰ্জাতিক কীৰ্তিচিহ্ন আৰু কীৰ্তিস্থল দিৱস হিচাপেও জনা যায়। এই বছৰ বিশ্ব ঐতিহ্য দিৱসৰ বিষয়বস্তু হৈছে- প্ৰাকৃতিক দুৰ্যোগ আৰু বিবাদৰ পৰা ভাবুকি অহা ঐতিহ্য। বিশ্বৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যসমূহৰ সংৰক্ষণ আৰু সন্মান প্ৰদৰ্শনৰ উদ্দেশ্যে প্ৰতি বছৰে ১৮ এপ্ৰিলত এই দিৱস উদযাপন কৰা হয়।

বিগত বছৰসমূহত বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত ভাৰতৰ স্থিতি উন্নত হৈ উঠা পৰিলক্ষিত হৈছে। এই তালিকাত ভাৰতৰ ৪৩টা স্থান অন্তৰ্ভুক্ত হৈ আছে আৰু ৬২টা স্থান এতিয়াও ইউনেস্ক’ৰ সম্ভাব্য তালিকাত মনোনীত হৈ আছে। বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকত ১৯৮৩ চনত আগ্ৰা কিলাৰ অন্তৰ্ভুক্তিৰ পাছত তাজমহল, অজন্তা আৰু ইলোৰা গুহাৰ অন্তৰ্ভুক্তিৰে ভাৰতৰ এই যাত্ৰাৰ আৰম্ভণি হৈছিল। এই স্থানসমূহক ইতিহাসৰ প্ৰতীক হিচাপে সংৰক্ষণ কৰাই নহয় বৰং আহিবলগীয়া প্ৰজন্মসমূহৰ বাবে শিকনৰ স্থান হিচাপেও সংৰক্ষণ কৰা হৈছে। এই দিৱস উপলক্ষে আজি ভাৰতৰ পুৰাতত্ব জৰীপ বিভাগে ইয়াৰ অধীনৰ দেশৰ বিভিন্ন প্ৰান্তৰ কীৰ্তি চিহ্ন তথা স্থানসমূহ দৰ্শনৰ বাবে জনসাধাৰণৰ প্ৰৱেশ বিনামূলীয়া কৰিছে।

০০০০০০০০০

জাম্বিয়াত মাংকি-পক্সত আক্ৰান্ত লোকৰ সংখ্যা ৪৯লৈ বৃদ্ধি পাইছে। মুছিংগা প্ৰদেশৰ এম্পিকা জিলাত কালি এটি ১০ বছৰীয়া শিশু এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। স্বাস্থ্য মন্ত্ৰী এলিজা মুছিমাই প্ৰকাশ কৰা অনুসৰি দেশখনত যোৱা ২ৰ পৰা ১৫ এপ্ৰিলৰ ভিতৰত এই ৰোগত আক্ৰান্তৰ ১3টা নতুন তথ্য তালিকাভুক্ত কৰা হৈছে। দেশৰ ১০খন প্ৰদেশৰ ভিতৰত ছখনতে ভালেমান লোক এই ৰোগত আক্ৰান্ত হোৱাৰ বাতৰি পোৱা গৈছে।

ইপিনে, দেশখনত যোৱা দুসপ্তাহত নতুনকৈ ১৮জন লোক কলেৰাত আক্ৰান্ত হোৱাৰ পাছত এই ৰোগত মুঠ আক্ৰান্তৰ সংখ্যা ৪৯০লৈ বৃদ্ধি পাইছে। ৪৮০জন লোক ৰোগমুক্ত হৈছে যদিও আন ৯জন লোকৰ মৃত্যু হয়।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দলেই ছখনকৈ খেলৰ পৰা বৰ্তমান ৮ পইণ্টকৈ লাভ কৰি আছে। অৱশ্যে  উন্নত ৰান ৰেটৰ বাবে পইণ্ট তালিকাত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু তৃতীয় স্থানত আৰু পাঞ্জাৱ কিংছ চতুৰ্থ স্থানত আছে।

কালি নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হোৱা এখন খেলত মুম্বাই ইণ্ডিয়ানছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৪ উইকেটত পৰাস্ত কৰে।

০০০০০০০০০

চৌদি আৰবৰ ডাম্মামত চলি থকা ১৮ বছৰ অনুৰ্ধ এছিয়ান এথলেটিকছ চেম্পিয়নশ্বিপৰ তৃতীয় দিনা আজি ল'ৰাৰ শ্বট পুট শিতানত ১৬ বছৰীয়া নিশ্চয়ে ৰূপৰ পদক লাভ কৰে।  ব্যক্তিগত সৰ্বোচ্চ প্ৰদৰ্শনেৰে ১৯ দশমিক ৫-৯ মিটাৰ শ্বট পুট দলিয়াই তেওঁ এই প্ৰতিযোগিতাত দ্বিতীয়টো পদক অৰ্জন কৰে। ইয়াৰ পূৰ্বে যোৱা মাহত কৰা নিশ্চয়ৰ ব্যক্তিগত সৰ্বোচ্চ প্ৰদৰ্শন আছিল ১৮ দশমিক ৯-৩ মিটাৰ।

০০০০০০০০০

জৰ্দানৰ আমানত অনুষ্ঠিত ১৫ বছৰ আৰু ১৭ বছৰ অনুৰ্দ্ধৰ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত অংশগ্ৰহণৰ বাবে ভাৰতে ৫৬-জনীয়া এটা দল প্ৰেৰণ কৰিছে। অলিম্পিক কাউন্সিল অব এছিয়া আৰু নৱগঠিত ৱৰ্ল্ড বক্সিং উভয়ে অনুমোদন জনোৱাৰ পাছত এছিয়ান বক্সিঙে আয়োজন কৰা এইখন হৈছে প্ৰথমখন প্ৰতিযোগিতা। ২০২৪ৰ এছিয়ান জুনিয়ৰ চেম্পিয়নশ্বিপত ৰূপৰ আৰু ব্ৰঞ্জৰ পদক বিজয়ী চাহিল দোহান আৰু দেৱান্সক ল'ৰাৰ ১৭ বছৰ অনুৰ্ধ শাখাত অন্তৰ্ভুক্ত কৰা হৈছে। ইপিনে, এছ জি এফ আই ২০২৪ৰ সোণৰ পদক বিজয়ী টিকাম সিঙেও ১৭ বছৰ অনুৰ্ধ শাখাত ভাৰতৰ হৈ অংশগ্ৰহণ কৰিছে।

০০০০০০০০০

সমাপ্ত